# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 27-08-2025
**Time :** 21-25 Hrs

### ASSAMESE NIGHT BULLETIN
::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

অসম মন্ত্ৰীসভাই দুটা ভিন্ন ধৰ্মৰ ব্যক্তিৰ মাজত ভূমি ক্ৰয়-বিক্ৰীৰ নতুন বিশেষ কাৰ্যবিধি অৰ্থাৎ এছ অ' পিত অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত দিশপুৰত আয়োজিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত তেওঁ এইকথা প্ৰকাশ কৰে। ড° শৰ্মাই কয় যে এতিয়াৰে পৰা অন্য ধৰ্মৰ লোকক ভূমি ক্ৰয়-বিক্ৰী কৰাৰ ক্ষেত্ৰত আৰক্ষীৰ অনুমোদনৰ প্ৰয়োজন হ'ব। তেওঁ লগতে কয় যে ভূমি বিক্ৰীৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় নিৰাপত্তাৰ বিষয়টো গুৰুত্ব আৰোপ কৰা হ'ব। ভূমি ক্ৰয় কৰা বা বিক্ৰী কৰা লোকৰ আয়ৰ উৎসৰ ওপৰতো দৃষ্টি ৰখা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। আনহাতে, একে ধৰ্মৰ লোকৰ মাজত ভূমিৰ বেচা কিনাৰ ক্ষেত্ৰত নতুন এছ অ' পি প্ৰযোজ্য নহয় বুলি তেওঁ কয়। ৰাজ্যৰ বাহিৰৰ এন জি অ'ই ভূমি ক্ৰয়ৰ ক্ষেত্ৰতো এই নীতি প্ৰযোজ্য হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

আজিৰ বৈঠকত অসম উদ্যানশস্য উন্নয়ন লিমিটেডৰ কৰ্মচাৰীসকলক স্বেচ্ছামূলক অৱসৰ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইয়াৰ বাবে মন্ত্ৰীসভাই ৬ কোটি টকা মঞ্জুৰি দিয়ে। আজি মন্ত্ৰীসভাই ৯৬৯ কোটি টকাৰ ৪ টা বিনিয়োগৰ প্ৰস্তাৱত অনুমোদন জনায়। এই বিনিয়োগৰ জৰিয়তে ২ হেজাৰ ৭০৪ টা নিয়োগ সৃষ্টি হ'ব।

বিটিচি নিৰ্বাচনৰ নিৰ্বাচনী অধীসূচনাৰ বাবে সৰুসজাইত হৈ যোৱা ঝুমইৰ বিনন্দিনীত অংশ লোৱা শিল্পীসকলক অহা ১২ অক্টোবৰত মাননী প্ৰদান কৰাত মন্ত্ৰীসভাই অনুমোদন জনায়।

ইপিনে, উপৰাষ্ট্ৰপতিৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ৮ ছেপ্তেম্বৰৰ পৰিৱৰ্তে ১৩ ছেপ্তেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে অসমলৈ আহিব বুলি সংবাদ মেলত মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে ১৩ ছেপ্তেম্বৰত সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠানত অংশ লব। নিশাটো গুৱাহাটীত কটাই তেওঁ ১৪ ছেপ্তেম্বৰত নুমলিগড় আৰু মঙলদৈত আয়োজিত কাৰ্যসূচীত অংশ ল'ব।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই ফৰকাটিং আৰু নিউ তিনিচুকীয়াৰ মাজৰ ১৯৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰেলপথ দ্বৈতকৰণত অনুমোদন জনাইছে। উত্তৰ-পূৱ সীমান্ত ৰেলৰে ৩ হেজাৰ ৬৩৪ কোটি টকা ব্যয় সাপেক্ষে এই প্ৰকল্প ৰূপায়ণ কৰিব। উল্লেখযোগ্য যে এই ৰেলপথছোৱা উজনি অসমৰ সৈতে দেশৰ বাকী অংশক সংযোগ কৰাৰ ক্ষেত্ৰত অত্যন্ত গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হয়। দ্বৈতকৰণৰ ফলত ৰেলপথছোৱাৰে ৰেল চলাচলৰ সুবিধা হোৱাৰ লগতে উত্তৰ-পূৰ্বাঞ্চলত ৰেল সংযোগ অধিক উন্নত কৰি অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰিব বুলি আশা কৰা হৈছে।

০০০০০

বিশ্বনাথ জিলাৰ উচ্ছেদিত ননকে জাপৰিগুৰি অঞ্চলত আজি জিলা প্ৰশাসনৰ উদ্যোগত গছপুলি ৰোপণ আৰু তাঁৰৰ বেৰ নিৰ্মাণৰ শুভাৰম্ভ কৰা হয়। মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনিৰ অধীনত বিশ্বনাথ আঞ্চলিক পঞ্চায়তৰ দ্বাৰা ২৪ লাখৰো অধিক টকা ব্যয় সাপেক্ষে এই কাম সম্পন্ন কৰা হ'ব। এই অনুষ্ঠানত আজি কেইবাটাও স্বেচ্ছাসেৱী সংগঠনৰ কৰ্মীৰ লগতে আত্মসহায়ক গোট আৰু ছাত্ৰ-ছাত্ৰীসকলে গছপুলি ৰোপণ কৰে। এই উপলক্ষে আয়োজিত এখন সভাত বিধায়ক প্ৰমোদ বৰঠাকুৰ, জিলা আয়ুক্ত সীমান্ত কুমাৰ দাস প্ৰমুখ্যে কেইবাগৰাকী ব্যক্তিয়ে ভাষণ দিয়ে।

০০০০০

গুৱাহাটী মহানগৰীত আজি সন্ধিয়াৰ ভাগত হোৱা এজাক ধাৰাষাৰ বৰষুণৰ ফলত বিভিন্ন অঞ্চল প্লাৱিত হৈ পৰে। বৰষুণৰ ফলত যোৰাবাট, খানাপাৰা, হাতীগাওঁ, ৰুক্মিনী নগৰ, ভেটাপাৰাকে ধৰি বিভিন্ন অঞ্চল কৃত্ৰিম বানত বুৰ যায়। ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ঠায়ে ঠায়েও কৃত্ৰিম বানৰসৃষ্টি হৈছে। মহানগৰীৰ বিভিন্ন অঞ্চলত হোৱা তীব্ৰ যান-জটৰ পৰিপ্ৰেক্ষিতত কৰ্মস্থলীৰ পৰা গৃহ অভিমুখী লোকসকলৰ লগতে অন্যান্য পথাচাৰীসকল কেইবাঘণ্টাজুৰি পথ আৱদ্ধ হৈ থাকিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হয়।

০০০০০

ধেমাজী জিলাত ৰূপায়িত উন্নয়নমূলক প্ৰকল্পসমূহৰ অগ্ৰগতি পৰ্যালোচনাৰ বাবে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশমৰ্মে আজি জিলাখনত এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰীয়ে অলপতে ধেমাজী, চিচিবৰগাওঁ আৰু জোনাই বিধানসভা সমষ্টিৰ উন্নয়ন সন্দৰ্ভত পৰ্যালোচনা কৰাৰ পাছতে মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ বিষয়াসকলে আজি এই অগ্ৰগতিৰ বুজ লয়। বৈঠকত জিলা আয়ুক্ত ৰাহুল সুৰেশ জাভিৰ, জিলা উন্নয়ন আয়ুক্ত দেৱেশ্বৰ বৰা, জ্যেষ্ঠ আৰক্ষী অধীক্ষক হীতেশ চন্দ্ৰ ৰয় প্ৰমুখ্যে বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

০০০০০

গুজৰাটৰ আহমেদাবাদত চলি থকা কমলৱেল্থ ভাৰোত্তলন প্ৰতিযোগিতাত আজি অসমৰ অভিনৱ গগৈ আৰু হেমন্ত দৈমাৰীয়ে সোণৰ পদক অৰ্জন কৰি এই প্ৰতিযোগিতাত ৰাজ্যখনৰ খেলুৱৈৰ সোণৰ পদকৰ সংখ্যা ৪ লৈ বৃদ্ধি কৰিলে। যুৱ শাখাৰ ৭১ কিলোগ্ৰামত অভিনৱ গগৈয়ে আৰু জুনিয়ৰৰ ৭১ কিলোগ্ৰাম শাখাত হেমন্ত দৈমাৰীয়ে সোণৰ পদক অৰ্জন কৰে। অসম ভাৰোত্তলন সন্থাৰ সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে খেলুৱৈ দুগৰাকীৰ সফলতাত অভিনন্দন জ্ঞাপন কৰিছে। প্ৰতিযোগিতাত অসমৰ পৰা ৫ গৰাকী ভাৰোত্তকে অংশ লৈছে আৰু ইয়াৰ আগেয়ে ধৰ্মজিত দেওঘৰীয়া আৰু ভাৱনা গগৈয়ে সোণৰ পদক অৰ্জন কৰিছিল। কাইলৈ অন্তিমগৰাকী ভাৰোত্তলক হিচাপে জুনিয়ৰৰ ৭৯ কিলোগ্ৰাম শাখাত বেদব্ৰত ভড়ালীয়ে প্ৰতিদ্বন্দিতা কৰিব।

০০০০০

বজালী জিলাৰ শিঙিমাৰী গাওঁ নিৱাসী গুৱাহাটী উচ্চ ন্যায়ালয়ৰ যুৱ অধিবক্তা চম্পক তালুকদাৰৰ আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হয়। কিছুদিন ধৰি তেওঁ জাপানীজ এনকেফেলাইটিজ ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। যুৱ অধিবক্তাগৰাকীৰ বিয়োগত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

ডিব্ৰুগড় জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ৰ কৰ্মচাৰ, জিলাখনৰ লাহোৱাল বাইপাছ নিৱাসী আখতাৰ হুছেইনৰ আজি মৃত্যু হয়। বিগত কিছুদিন ধৰি চিকিৎসাধীন হৈ থকা হুছেইনৰ মৃত্যুৰ সময়ত বয়স আছিল ৫৬ বছৰ।

০০০০০

ঃঃ সমাপ্ত ঃঃ